সাধাৰণতে একচেটিয়া ব্যৱসায়ক অহিতকৰ বা সমাজবিৰোধী বুলি গণ্য কৰা হয়। একচেটিয়া বজাৰ গাঁথনিত ব্যৱসায় প্ৰতিষ্ঠানে অতিৰিক্ত লাভ অৰ্জন কৰি সমাজত আয় বৈষম্য সৃষ্টি কৰে। জনসাধাৰণৰ অৰ্থনৈতিক কল্যাণৰ অৱনতি ঘটায়। ক্ৰেতাসকলৰ দৰে শ্ৰমিক শ্ৰেণীকো একচেটিয়া ব্যৱসায় প্ৰতিষ্ঠানে ন্যায্য মজুৰি প্ৰদান নকৰি শোষণ কৰিব পাৰে। ইয়াৰ উপৰি অন্য কোনো প্ৰতিদ্বন্দ্বী

Scanned with CamScan

প্ৰতিষ্ঠান যাতে গঢ়ি উঠিব নোৱাৰে তাৰ বাবে একচেটিয়া ব্যৱসায় প্ৰতিষ্ঠানে নানা অসাধু ব্যৱস্থা গ্ৰহণ কৰাও দেখা যায়। সেয়েহে তলত উল্লেখ কৰা উপায়েৰে একচেটিয়া ব্যৱসায় প্ৰতিষ্ঠানক নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰা হৈছে।

(i) **গ্ৰাহকৰ স্বাৰ্থ সংৰক্ষণ (Protecting consumer's interest) ঃ** উচ্চদৰ ধাৰ্য কৰি আৰু নিম্নমানৰ দ্ৰব্য যোগান ধৰি একচেটিয়া ব্যৱসায় প্ৰতিষ্ঠানে গ্ৰাহকক যাতে শোষণ কৰিব নোৱাৰে তাৰ বাবে চৰকাৰে —

(a) দ্ৰব্যৰ সৰ্বোচ্চ মূল্য ধাৰ্য কৰি দিব পাৰে,

(b) ন্যায্য মানৰ দ্ৰব্য যোগান দিবলৈ একচেটিয়া ব্যৱসায় প্ৰতিষ্ঠানক বাধ্য কৰাব পাৰে,

(c) একচেটিয়া ব্যৱসায়ীয়ে অৰ্জন কৰা মুনাফাৰ ওপৰত কৰ ধাৰ্য কৰিব পাৰে, আৰু

(d) একচেটিয়া ব্যৱসায়ীৰ কাৰ্যকলাপ সম্পৰ্কে জনসাধাৰণক সচেতন কৰিব পাৰে। বিদ্যুৎ যোগান, ৰে'ল পৰিবহণ আদি জনহিতকৰ সেৱাসমূহৰ ক্ষেত্ৰত এই পদ্ধতিসমূহ প্ৰয়োগ কৰা হয়।

(ii) **প্ৰতিযোগিতাৰ পুনৰুদ্ধাৰ (Restoring competition) ঃ** নতুন ব্যৱসায় প্ৰতিষ্ঠানৰ বজাৰত প্ৰৱেশৰ ক্ষেত্ৰত থকা বাধা আঁতৰ কৰি আৰু একচেটিয়া ব্যৱসায়ৰ ওপৰত কৰ ধাৰ্য কৰি আৰু সেইবোৰৰ পৰা পোৱা ৰাজহৰ জৰিয়তে নতুন ব্যৱসায়ীক অৰ্থ সাহায্য প্ৰদান কৰিও প্ৰতিযোগিতা প্ৰৱৰ্তনৰ চেষ্টা কৰিব পাৰি।

(iii) **আইনৰ দ্বাৰা একচেটিয়া ব্যৱসায় প্ৰতিষ্ঠানৰ নিযিদ্ধকৰণ (Legal Prohibition of Monopoly) ঃ** চৰকাৰে আইন প্ৰণয়ন কৰিও একচেটিয়া প্ৰতিষ্ঠানৰ সৃষ্টি বা বৃদ্ধিত বাধা আৰোপ কৰিব পাৰে।

(iv) **ৰাষ্ট্ৰীয়কৰণ (Nationalisation) ঃ** চৰকাৰে একচেটিয়া ব্যৱসায় প্ৰতিষ্ঠানক ৰাষ্ট্ৰীয়কৰণৰ জৰিয়তে নিজৰ অধীনলৈ আনিব পাৰে।

Scanned with CamScan